# REGIONAL NEWS UNIT
## AKASHVANI : GUWAHATI
0000000000

**Date :** 29-03-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::::**

১। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত। দুধনৈ আৰু বকোত মুখ্যমন্ত্ৰীৰ প্ৰচাৰ অভিযান।

২। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহ সম্পন্ন। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ মুঠ এহেজাৰ ৯২০ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান।

৩। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **আপুনি কেনে আছে** শীৰ্ষক বিশেষ অন্তৰংগ অনুষ্ঠানত কেইবাগৰাকী প্ৰাক্তন বিষয়া, বাতৰি পৰিৱেশকৰ স্মৃতি ৰোমন্থন।

৪। বিশিষ্ট অনাতাঁৰ শিল্পী, সুকণ্ঠী গায়িকা হীৰা দাসৰ নৰগ্ৰহ শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন। ***আৰু***

৫। গুৱাহাটীত কাইলৈ ৰাজস্থান ৰয়েলছ আৰু চেন্নাই ছুপাৰ কিংছৰ আই পি এলৰ গুৰুত্বপূৰ্ণ খেল। ৰিয়ান পৰাগক প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ৰ উচ্চ প্ৰশংসা।

০০০০

গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰী তথা বিজেপি দলৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰাৰ দুধনৈ আৰু কামৰূপ জিলাৰ বকোত দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। গোৱালপাৰাত অনুষ্ঠিত নিৰ্বাচনী সভাত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাভা-হাছঙক সাংবিধানিক মৰ্যাদা দিব বিচাৰিছো বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত ৰাভাসকলৰ উন্নয়নৰ বাবে এন ডি এৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। বকোৰ গান্ধী ময়দানত অনুষ্ঠিত নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে কামৰূপ জিলাৰ অন্তৰ্গত ১৪টা পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী জয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ সৰ্বাংগীণ উন্নয়নৰ বাবে শীঘ্ৰে গৃহ বিভাগ, ৰাজ্য চৰকাৰ আৰু ৰাভা জনগোষ্ঠীৰ ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। চৰকাৰী ভূমিত বসবাস কৰা ৰাভা জনগোষ্ঠীৰ লোকসকলক ভূমিপট্টা দিয়াৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কিংবদন্তী ৰজা দ'দানৰ ঐতিহ্য প্ৰসাৰৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যজুৰি অনুষ্ঠিত হোৱা খেল মহাৰণৰ শুভংকৰ

প্ৰতীক হিচাপে ৰাভা জনগোষ্ঠীৰ পিতৃপুৰুষ দ'দানক নিৰ্বাচিত কৰি প্ৰসাৰৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

## বাইট (চি এম)

মুখ্যমন্ত্ৰীৰ এই নিৰ্বাচনী সভাত বিজেপিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ সভাপতি টংকেশ্বৰ ৰাভা, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটী সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি আৰু বিধায়ক হেমাংগ ঠাকুৰীয়া উপস্থিত থাকে।

ইপিনে ছয়গাঁৱৰ দোলেডঙাত অনুষ্ঠিত কংগ্ৰেছৰ নিৰ্বাচনী সভাত বিধায়ক ৰেকিবুদ্দিন আহমেদে দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলায়। গোৱালপাৰা জিলাৰ দ্বাৰকা, মাজ-জাখিলী, ডিৰ্মাজাখিলী আৰু দাৰিদুৰি পৰিষদীয় সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

০০০

বজালীৰ জিলা সদৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহ আজি প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। ৰাজ্যপাল তথা ভট্টদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৌৰহিত্যত অনুষ্ঠিত এই দীক্ষান্ত সমাৰোহত দুগৰাকীক পি এইচ ডি, ৪৬৯ গৰাকীক স্নাতকোত্তৰ আৰু এহেজাৰ ৪২২ গৰাকী ছাত্ৰ-ছাত্ৰীক স্নাতক ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ লগতে ৰাজ্যপাল শ্ৰীআচাৰ্যই ৬৬ গৰাকী বঁটাপ্ৰাপকক স্বৰ্ণ পদকেৰে সন্মানিত কৰে।

## বাইট (ৰাজ্যপাল)

এই দীক্ষান্ত সমাৰোহত ভট্টদেৱ বিশ্ববিদ্যালয়ে অসম সৌৰভ বঁটাপ্ৰাপক বিশিষ্ট নাট্য প্ৰযোজক কৃষ্ণ ৰয়ক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা আইন, পৰ্যটন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ অমৰজ্যোতি চৌধুৰী উপস্থিত থাকে।

০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি  গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত **'আপুনি কেনে আছে'** শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ কেইবাগৰাকীও প্ৰাক্তন বিষয়া আৰু বাতৰি পৰিবেশকে তেওঁলোকৰ স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ  বাতৰি বিভাগৰ প্ৰাক্তন সঞ্চালক অশ্বিনী কুমাৰ বৰুৱা, প্ৰাক্তন সহকাৰী সঞ্চালক ৰমনীকান্ত শৰ্মা আৰু সতীশ চন্দ্ৰ তালুকদাৰ, বাতৰি বিভাগৰ প্ৰাক্তন বিষয়া কুলেশ কুমাৰ ডেকা, প্ৰসন্ন কুমাৰ গোস্বামী, অৰিন্দম বৰা, পূৰ্বৰ বাতৰি পৰিবেশক ৰীণা চৌধুৰী, মল্লিকা বৰুৱা, মাইনী মহন্ত আৰু ইমৰাণ হুছেইনে অংশগ্ৰহণ কৰি তেওঁলোকৰ স্মৃতি আৰু অভিজ্ঞতাৰ সোঁৱৰণ কৰে। অনুষ্ঠানত বাতৰি বিভাগৰ প্ৰাক্তন সঞ্চালক অশ্বিনী কুমাৰ বৰুৱাই নিজৰ মনৰ ভাব এইদৰে প্ৰকাশ কৰে।

## বাইট

অনুজা লোপামুদ্ৰাৰ সৰস্বতী স্তোত্ৰৰে আৰম্ভ হোৱা অনুষ্ঠানটোত বাতৰি পৰিবেশক উৎপল কুমাৰ দাস, নিৰুপমা বৰঠাকুৰ আৰু ঋতুস্মিতা তামুলীয়ে গীত পৰিবেশন কৰাৰ লগতে সংগীতা শৰ্মাই বেহেলা বাদনেৰে

সকলোকে আপ্লুত কৰে। বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰা অনুষ্ঠানটিৰ নির্বাচিত অংশ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

০০০

বিশিষ্ট অনাতাঁৰ শিল্পী, সুকণ্ঠী গায়িকা হীৰা দাসৰ আজি পুৱতি নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত এসময়ৰ জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ বয়স হৈছিল ৭৩ বছৰ। বিগত চাৰিদিন ধৰি চিকিৎসাধীন হৈ থকা হীৰা দাসৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰে। শিল্পীগৰাকীৰ নশ্বৰদেহ আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদলৈ অনা হয়। আকাশবাণীৰ পৰিয়ালে শিল্পীগৰাকীৰ নশ্বৰদেহক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিয়লি নৱগ্ৰহ শ্মশানত হীৰা দাসৰ শেষকৃত্য সম্পন্ন কৰা হয়। বিশিষ্ট সংগীত শিল্পী জে পি দাসৰ পত্নী হীৰা দাসে বহু জনপ্ৰিয় গীতত কণ্ঠদান কৰিছিল।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত দেশ-বিদেশৰ শ্ৰোতাসকলৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ সকলো নেটৱৰ্কে প্ৰচাৰ কৰাৰ উপৰি এয়াৰ নিউজ ৱেবছাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপটো শুনিবলৈ পোৱা যাব। এয়াৰ নিউজ, ডিডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলসমূহতো এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ পাছতে অনুষ্ঠানটোৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। আকাশবাণীৰ অন্যান্য কেন্দ্ৰসমূহেও মন কী বাতৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰে। ডিব্ৰুগড় নগৰৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ কনভয় ৰোডত কেন্দ্ৰীয় বিদ্যালয়ৰ নতুন স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। প্ৰায় ৩৭ কোটি টকা ব্যয় সাপেক্ষে বিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰা হ'ব। এই উপলক্ষে আজি অনুষ্ঠিত মাংগলিক অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে মন্ত্ৰী প্ৰশান্ত ফুকন আৰু বিভিন্ন নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষ উপস্থিত থাকে। উল্লেখযোগ্য যে ২০০৩ চনৰ পৰা ডিব্ৰুগড়ৰ চৌকিডিঙিত ডাক বিভাগৰ ভৱনত অস্থায়ীভাৱে কেন্দ্ৰীয় বিদ্যালয়খনৰ পাঠদান চলি আহিছে।

০০০

অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছতে মন্ত্ৰী যোগেন মহনে প্ৰথমটো চৰকাৰী কাৰ্যসূচীৰে আজি মাজুলীত উপস্থিত হৈছে। মাজুলীলৈ আহিয়েই মন্ত্ৰীগৰাকীয়ে প্ৰথমে মুগা খেতি পৰিদৰ্শন কৰাৰ লগতে মুগা পালকসকলৰ সৈতে মত বিনিময় কৰে। মাজুলীৰ গেজেৰাৰ এনাইচুকত অনুষ্ঠিত বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে জিলা ৰেচম বিভাগৰ উদ্যোগত আৰু বিধায়ক পুঁজিৰ ১০ লাখ আৰ্থিক সহযোগিতাৰে উদ্যোগী মুগাপালকক মুগা আৰু এৰী পলু বিতৰণ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনৰ উদ্যোগত জেংৰাইমুখ মহাবিদ্যালয়ত অনুষ্ঠিত অন্বেষণ অধ্যয়ন কেন্দ্ৰ উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে জিলা কৃষি বিভাগৰ কাৰিকৰী সহযোগিতাত মুদৈ বিলত বৃহৎ পৰিসৰত কৰা ভোট জলকীয়াৰ খেতি

পৰিদৰ্শন কৰে। মাজুলী জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে জিলাখনৰ জম্বুকচুকত এটা পথৰ আধাৰশিলাও স্থাপন কৰে।

০০০

দেশপ্ৰেম আৰু দেশৰ সুৰক্ষাৰ স্বাৰ্থত নিয়োজিত সেনা বাহিনীৰ ত্যাগৰ প্ৰতি শ্ৰদ্ধাবোধ আৰু সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি তেজপুৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত সশস্ত্ৰ বাহিনীৰ অৱদান আৰু যুৱ সমাজৰ দায়িত্বকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও প্ৰাক্তন শীৰ্ষ সেনা বিষয়াই নিজৰ কৰ্মজীৱনৰ অভিজ্ঞতাৰ বিনিময় কৰে। এই অনুষ্ঠানত কমেও ২৩৫ জন ছাত্ৰ-ছাত্ৰী, এন চি চি কেডেট আৰু সেনা বাহিনীৰ লোকসকলে অংশগ্ৰহণ কৰে। ০

০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাৰ গোগামুখত আয়োজিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত মন্ত্ৰী ডাঃ পেগুৱে জিলাখনত বন অধিকাৰ আইন ২০০৬ৰ অধীনত খিলঞ্জীয়া লোকক ভূমি অধিকাৰ প্ৰদান কৰিবলৈ লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীৰ লগতে লখিমপুৰ সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু জোনাইৰ বিধায়ক ভূৱন পেগুৱে অংশগ্ৰহণ কৰে। ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই বৈঠকত জিলা বন বিভাগৰ বিষয়া, ৰাজহ চক্ৰ বিষয়া, উন্নয়ন খণ্ডসমূহৰ বিষয়া, আই টি ডি পি বোৰ্ডৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ বিষয়াববীয়া উপস্থিত থাকে।

০০০

যোৱা ২৫ মাৰ্চত গ্ৰেপ্তাৰ কৰা আৰু আন এটা গোচৰত পৰহি পুনৰ গ্ৰেপ্তাৰ কৰা গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক আজি মুকলি কৰি দিয়া হয়। কামৰূপ মহানগৰ জিলাৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতে কালি তেওঁৰ জামিন মঞ্জুৰ কৰিছিল। অৱশ্যে জামিনৰ ধন জমা দিব নোৱাৰাৰ বাবে সাংবাদিকগৰাকী কালি নিশাটো ন্যায়িক জিম্মাতে কটাবলগীয়া হৈছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা সাংবাদিকগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছিল। উল্লেখযোগ্য যে সাংবাদিকগৰাকীক গ্ৰেপ্তাৰক লৈ ৰাজ্যৰ বিভিন্ন সাংবাদিক সংগঠন, নাগৰিক সংগঠন, চলচ্চিত্ৰ সমাজ, ভাৰতীয় প্ৰেছ ক্লাৱ, ভাৰতীয় সাংবাদিক সংঘকে ধৰি বিভিন্ন দল সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিছিল।

০০০

বৰপেটাৰ সুন্দৰীদিয়া সত্ৰৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সত্ৰখনৰ শাখা সত্ৰসমূহৰ সমাৰোহ অনুষ্ঠিত হৈছে। শাখা সত্ৰসমূহক একত্ৰিত কৰাৰ উপৰি সহযোগী সত্ৰসমূহক লগত লৈ মাধৱ দেৱৰ দ্বাৰা প্ৰচাৰিত ধৰ্ম আৰু অন্যান্য ব্যৱস্থাসমূহ আগবঢ়াই নিয়াৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে এই সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে অংশগ্ৰহণ কৰে। সমাৰোহৰ অংশ হিচাপে সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে পুৰা পতাকা উত্তোলন কৰে।

০০০

পশ্চিম কাৰ্বি আংলঙৰ আমৰিত অনুষ্ঠিত কাৰ্বি আংলং প্ৰাথমিক শিক্ষক সন্থাৰ ৩৫ সংখ্যক ত্ৰিবাৰ্ষিক অধিৱেশনৰ আজি অন্তিম দিনা মুকলি সভা আয়োজিত হয়। এই মুকলি সভাত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকে।

০০০

শ্ৰীভূমি জিলাৰ সুপ্ৰকান্দি পেটেল নগৰত আজি সংঘটিত এটা দুৰ্ঘটনাত এজন বাছ চালকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো যাত্ৰী আহত হয়। অসম ৰাজ্যিক পৰিবহন নিগমৰ এখন যাত্ৰীবাহী বাছক এখন মালবাহী ট্ৰাকে খুন্দিওৱাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। আহত যাত্ৰীসকলক কৰিমগঞ্জ অসামৰিক চিকিৎসালয়লৈ আৰু গুৰুতৰভাৱে আহতসকলক শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। মৃত বাছচালকজন  কাটামণি অঞ্চলৰ হানিফ আহমেদ বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে।

০০০

ৰাজ্য চৰকাৰৰ অসম দৰ্শন আঁচনিৰ ২০২৪-২৫ বৰ্ষৰ অধীনত আজি গোলাঘাট জিলাৰ বোকাখাতত মন্ত্ৰী অতুল বৰাই হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰে। বোকাখাত সমষ্টি বিধেয়কৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত মন্ত্ৰী শ্ৰীবৰাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ১৯৫টা উপাসনাস্থলী নামঘৰ, থান, মঠ-মন্দিৰ, গীৰ্জাঘৰ, মছজিদলৈ এক লাখ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য চেক বিতৰণ কৰে। অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ হৈ সভাপতি, সম্পাদক আৰু প্ৰতিনিধিয়ে মন্ত্ৰীগৰাকীৰ পৰা চেক গ্ৰহণ কৰে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া খেলত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাৰ পৰা আৰম্ভ হ'ব। খেলখনৰ পূৰ্বে আজি অনুষ্ঠিত সংবাদমেলত ৰাজস্থান ৰয়েলছৰ প্ৰশিক্ষক ৰাহুল দ্ৰাবিড়ে ৰিয়ান পৰাগক উচ্চ প্ৰশংসা কৰে। প্ৰথম দুখন খেলত পৰাজিত হ'লেও ৰিয়ান পৰাগৰ নেতৃত্ব ভাল হৈছে বুলি তেওঁ শলাগ লয়। ৰিয়ান পৰাগে বেছি বল খেলিবলৈ পালে দলৰ বাবেই লাভজনক হ'ব বুলি প্ৰশিক্ষকগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে ৰিয়ান পৰাগে ৩ নম্বৰ ক্ৰমত বেটিং কৰাটো দলৰ বাবে যোগাত্মক দিশ। উল্লেখযোগ্য যে কাইলৈৰ খেলত অংশগ্ৰহণৰ বাবে আজি সন্ধিয়া চেন্নাই ছুপাৰ কিংছ গুৱাহাটীত উপস্থিত হ'ব। প্ৰাক্তন আন্তৰ্জাতিক ক্ৰিকেটাৰ মহেন্দ্ৰ সিং ধোনীৰ দৰে তাৰকাসমৃদ্ধ দলটো বিশেষ বিমানযোগে বৰঝাৰ বিমান বন্দৰত উপস্থিত হ'ব।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

বজালীৰ ভালুকী গাঁওনিবাসী সৰবৰহী মহিলা দিপীমা গোস্বামীৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৬ বছৰ। মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ মহিলা

সংঘৰ আঞ্চলিক সমিতিৰ মুখ্য সম্পাদক গোস্বামীৰ মৃত্যুত ভালুকী অঞ্চলত শোকৰ ছাঁ পৰে। দিপীমা গোস্বামী ভালুকী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল।

০০০

সমাপ্ত